# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ৬ এপ্ৰিলত মছজিদ বায়তুৰ ৰহমান, ভেলেনছিয়া, স্পেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; স্পেইন পশ্চিমীয়া দেশতেই অৱস্থিত কিন্তু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত ইউৰোপৰ অনুন্নত দেশবোৰৰ মাজতেই গণ্য কৰা হয়। কামৰ সা-সুবিধা আৰু আমদানী আৰু জীৱণ-ধাৰণৰ প্ৰণালী ইউৰোপৰ অইন দেশবোৰ যেনে ফ্ৰাঞ্চ, জাৰ্মানি, হলেণ্ড, ইউ.কে, আদিতকৈ পিছ পৰা। কিন্তু এয়া সত্বেও পাকিস্থানৰ তুলনাত স্পেইনৰ অৰ্থনৈতিক অৱস্থা উন্নত। ইয়াৰ মুলতে হ'ল এয়া যে পাকিস্থানী সকলে ব্যাৱসায় চাকৰি আদিৰ বাবে এই দেশলৈ আহে। বিশেষ কৈ আহমদী সকলৰ ক্ষেত্ৰত এয়া যে, এওঁলোকে পাকিস্থানৰ পৰা দুটা কাৰণতে বৰ্হিদেশলৈ ওলাই পৰে। তাৰে প্ৰথম কাৰণ হল ধৰ্মীয় প্ৰতিবন্ধকতা আৰু দ্বিতীয়তে হ'ল অৰ্থনৈতিক দিশটো সবলীকৰণ ইয়ালৈ অহা সকলৰ বেছিভাগেই  ইয়াত আশ্ৰয় লয় বা স্থায়ী বসবাসৰ বাবে পাচ- পত্ৰ (ভিজা) লোৱাৰ চেষ্টা কৰে যে আহমদী সকলে পাকিস্থানত এনেকুৱা অৱস্থাত থাকিব নোৱাৰে যে নিজকে ঈমান অনুযায়ী মুছলমান বুলি কব পাৰে বা ইবাদত কৰিব পাৰে। ইয়াৰে কিছুমানে নিজৰ অৱস্থা সচাঁ-সঁচিকৈ বৰ্ণনা কৰে কিন্তু কিছুমানে আকৌ সজাই পৰাই কাহিনী শুনায়, দৰাচলতে ইয়াৰ কোনো প্ৰয়োজন নাই। মই কেইবাবাৰ বৰ্ননা কৰিছো যে যদি সত্য কথা কোৱা হয়, আৰু ধৰ্মৰ নামত আমাৰ ওপৰত যি অত্যাচাৰ চলাই আছে সেয়া বৰ্ণনা কৰি যদি কেৱল এয়া কোৱা হয় যে তাত আমাক ধৰ্মীয় বিষয়ত বৰ হেঁচা দিয়ে, মাৰ-ধৰ কৰে, তেন্তে এই লোক সকলে সহজতেই বুজি পায়। গতিকে বেলেগৰ কথা শুনি বা উকিলৰ কথা শুনি নিজৰ কথাবোৰ সজাই-বৰাই কোৱাৰ প্ৰয়োজন নাই। এনেদৰে কথাৰ আদি অন্ত সদায় একে হোৱা উচিত। কোনো ধৰণৰ সাল-সলনি যেন নহয় যাতে ব্যাৱস্থাপক সকলৰ সন্দেহ নুওপজে। এনেয়ে এজন আহমদীয়ে সদায় মিছাৰ পৰা আঁতৰি থকা উচিত। আল্লাহ তায়লা মিছাক শিৰিকৰ সৈতে তুলনা কৰিছে। আনহাতে এজন আহমদীক কেতিয়াও আশা কৰা নহয় যে তেওঁ শিৰিক কৰোঁতা হওঁক। এফালে তেওঁৰ দাবী হ'ল যে তেওঁ আটাইতকৈ বেছি খোদা তায়লাৰ তৌফিক মানি লওঁতা, আঁহজৰত (ছাঃ) ৰ দাস আৰু যুগৰ ইমাম হজৰত মছিহ মাওউদ (আঃ) ক মানি লওঁতা। আনফালে গোনাহৰ পৰা দুৰত থকা এজন মুছলমানৰ বাবে প্ৰথম ফৰজ, অথচ তাৰ পৰা আঁতৰি নেথাকে। গতিকে এই হিচাপে প্ৰত্যেক আহমদীয়ে নিজকে নিজে গমি চোৱা উচিত যে পাৰ্থিৱ লোভত পৰি আমাৰ দ্বাৰা এনেকুৱা কাম হৈ আছে নেকি। গতিকে যিহেতু আমি নিজৰ ঈমান ৰক্ষাৰ্থে নিজৰ দেশৰ পৰা গুচি আহিছো সেয়ে আমি আল্লাহ তায়লাৰ নিৰ্দেশ সমুহক আগতে গুৰুত্ব দিব লাগিব। আমি লক্ষ্য কৰা উচিত যে আমি আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলাম গ্ৰহণৰ পিছত আমি কিহক প্ৰাধান্য দিছো। যদি এই প্ৰাধান্য দিয়াটো খোদা তায়লাৰ নিৰ্দেশ অনুযায়ী নহয় তেন্তে আমি সেই উদ্দেশ্য সফল কৰিব পৰা নাই, যি উদ্দেশ্য আগত ৰাখি আমি দেশান্তৰী হৈছো আৰু যদি আমি সেই অনুযায়ী চলিছো তেন্তে দেশান্তৰী হোৱাৰ উদ্দেশ্যত সফল হৈছো, এনেকুৱা অৱস্থাতহে আল্লাহ তায়লাৰ কৃপা কৰুণা আমাৰ লগত থাকিব। যদি আমাৰ ভিত্তি প্ৰস্তৰ মিছাৰ ওপৰত প্ৰতিষ্ঠিত হয় আৰু আমি জাগতিকতাক আৰ্জি লোৱাটো নিজৰ উদ্দেশ্য বুলি ভাৱো তেন্তে আল্লাহ তায়লাৰ কৃপাৰ অংশীদাৰ হ'ব নোৱাৰো। আল্লাহ এজন বুলি মানি লওঁতা জনে আৰু আল্লাহৰ উপাসনা কৰোঁতাই কেতিয়াও শিৰিকত লিপ্ত হ'ব নোৱাৰে। যি সকলে নিজৰ সৃষ্টিৰ উদ্দেশ্য বুজি পাইছে, তেওঁলোকৰ জীৱণৰ প্ৰথম উদ্দেশ্য খোদা তায়লাৰ সন্তুষ্টি অৰ্জন কৰাই হৈ থাকে। আমি সদায় মনত ৰাখিব লাগিব যে পাৰ্থিৱ সম্বল অৰ্জন কৰি জগতৰ ৰং ৰইচত ডুব যোৱাটো আমাৰ উদ্দেশ্য নহয়। যদি আমি খোদা তায়লাক সন্তুষ্ট কৰাৰ অৰ্থে, তেওঁৰে কৈ দিয়া, আমাক সৃষ্টি কৰাৰ উদ্দেশ্য সমূহ, সফল কৰিবলৈ চেষ্টা কৰে তেতিয়াহে আমি প্ৰকৃত কৃতকাৰ্যতা লাভ কৰিব পাৰিম। এই জগত আৰু আল্লাহৰ অনুগ্ৰহ ৰাজি আমি লাভ কৰিমেই কাৰণ আল্লাহ তায়লা দ্বীন আৰু দুনীয়াৰ নিয়ামতৰ পৰা নিজৰ ফালে অহা জনক বঞ্চিত নকৰে। বৰং আল্লাহ তায়লা আমাক এই দোৱা শিকাইছে যে মোৰ পৰা ইহকাল আৰু পৰকালৰ সৌন্দৰ্য্য বিচৰা। যেনেকৈ কৈছে

رَبَّنَآ اٰتِنَا فِي الدُّنْيَا حَسَنَةً وَّفِي الْاٰخِرَةِ حَسَنَةً وَّقِنَا عَذَابَ النَّارِ

হজৰত মছিহ মাওউদ (আঃ) য়ে এই সম্পৰ্কে উল্লেখ কৰি কৈছে যে; মানুহে নিজৰ প্ৰবৃত্তিৰ আনন্দৰ বাবে দুটা বস্তুৰ মুখাপেক্ষী হৈ থাকে। তাৰে এটা হ'ল ইহঁজীৱণত অহা সকলো দুখ-দুৰ্গতি আৰু বিপদাৱলীৰ পৰা শান্তিত থকা, আনটো হ'ল ঠগ, প্ৰৱঞ্চনা আৰু আধ্যাত্মিক দুৰ্বলতা, যিয়ে তাক খোদা তায়লাৰ পৰা দুৰলৈ ঠেলি দিয়ে, তাৰ পৰা মুক্তি পোৱা। শাৰিৰীক আৰু আধ্যাত্মিক ভাৱে পাৰ্থিৱ সৌন্দৰ্যৱলী হ'ল প্ৰত্যেক বিপদ আৰু বেয়া জীৱণ প্ৰণালী আৰু দুখ-দুৰ্গতিৰ পৰা নিৰাপদ থকা। ৰাব্বানা শব্দই সাধাৰণতে তওবাৰ ফালে সুক্ষ্ম ভাৱে ইংগিত কৰে। যেতিয়া মানুহে ৰাব্বানা শব্দ উচ্চাৰণ কৰে অৰ্থাৎ হে আমাৰ আল্লাহ, বুলি কলে আল্লাহৰ ফালেই নতশীৰ হৈ যোৱা সুচায়। কাৰণ ৰাব্বানা শব্দই বিচাৰে যে তেওঁ অইন কিছুমান বনাবটি খোদাৰ পৰা প্ৰত্যাবৰ্ত্তন কৰি এই সৃষ্টিকৰ্ত্তাৰ ফালে আহক। তেখেত (আঃ) য়ে কৈছে যে, দৰাচলতে মানুহ হ'ল আশাবাদী নিজৰ উপাৰ্জন আৰু চতুৰালীৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে, এয়াই হ'ল সিহঁতৰ খোদা। যদি তাৰ নিজৰ বিদ্যা আৰু বাহুবলৰ অহংকাৰ আছে তেন্তে সেয়াই তাৰ খোদা। যদি তাৰ নিজৰ সৌন্দৰ্য্য অথবা ধন মালৰ গৌৰব আছে তেন্তে সেয়াই তাৰ খোদা। গতিকে এনে ধৰণৰ বহুতো বস্তু আছে যি তাৰ লগত লাগি আছে। যেতিয়ালৈকে এইবোৰক পৰিত্যাগ কৰি এক আল্লাহৰ আগত নতশীৰ নহয় আৰু ৰাব্বানা শব্দৰ বেদনা সিক্ত আৰ্তনাদেৰে ভৰা কৰুণ হৃদয়েৰে খোদা তায়লাৰ দৰবাৰত উপস্থিত নহয় তেতিয়ালৈকে তেওঁ সেই প্ৰকৃত পালন কৰ্ত্তাক বুজি নাপায়। প্ৰকৃত ৰাব্বানা শব্দৰ মূল্যায়ন তেতিয়াহে কৰা হয় যেতিয়া হৃদয়ৰ অশ্ৰুত ভিজা শব্দ মুখেৰে ওলায়। এই তত্ত্ব সমৃদ্ধ গূঢ়াৰ্থ বুজিব লাগিব যে মই ৰাব্বানা কৈছো মানে এক আৰু অদ্বিতীয় খোদা তায়লাক মাতি আছো যিয়ে মোৰ একমাত্ৰ পালন কৰ্ত্তা। যেতিয়া এনেকুৱা অৱস্থাৰ উদ্ৰেক হ'ব, তেতিয়াহে এজনে প্ৰকৃত পালন কৰ্ত্তাক বুজি পায় আৰু তাৰ ওচৰত দোয়া কৰে। গতিকে উল্লেখ কৰে, যেতিয়া এনেকুৱা হৃদয় ভাৱনা আৰু প্ৰাণ উদাসী হৈ তাৰ ওচৰত নিজৰ গোনাহৰ অনুতাপেৰে তওবা কৰে আৰু তাকেই ধৰি লয় যে **ৰাব্বানা** অৰ্থাৎ আচল আৰু প্ৰকৃত পালন কৰ্ত্তা তুমিয়েই আছিলা কিন্তু আমি নিজৰ ভূল ক্ৰমে বেলেগক সাব্দপ্য ভাৱিছো। এতিয়া মই সেই মিছা ভূত আৰু অৰ্থহীন উপাস্যক ত্যাগ কৰিছো আৰু সত্য প্ৰাণেৰে তোমাৰ খোদাই স্বীকাৰ কৰি তোমাৰ দৰবাৰত উপস্থিত হৈছো।

গতিকে এয়াই হ'ল সেই অৱস্থা যি একাগ্ৰতাৰে আল্লাহৰ ওচৰত নতশীৰ হয় আৰু তাৰ উপাসনা কৰে আৰু নিজৰ জন্মৰ উদ্দেশ্য বুজি পায়। যেতিয়া আমি এনেদৰে নিজৰ সৃষ্টিকৰ্ত্তাক আহ্বান কৰাৰ হ'ক আদায় কৰিম তেতিয়াহে মানুহে জাগতিক স্বাচ্ছন্ধ বিচাৰে পৰকালৰ স্বাচ্ছন্ধ অৰ্জন কৰিবৰ বাবে যাতে সুস্থ মনেৰে আল্লাহৰ উপাসনা কৰি যাব পাৰে। সুস্থতাই সুস্থ উপাসানাৰ সমল যোগায়। ধন মাল থাকিলেহে আল্লাহ তায়লাৰ দ্বীনৰ বাবে সেয়া খৰচ কৰাৰ হ'ক আদায় কৰিব পাৰে। লগতে বান্দাৰ অধিকাৰও প্ৰদান কৰিবলৈ সামৰ্থ্য হয়।

গতিকে আমি এই গুৰুত্বপূৰ্ণ তত্ত্ব নীতি মনত ৰাখিব লাগিব। ইয়াত ইবাদতৰ হ'ক আদায় সম্পৰ্কে বিশ্লেষণ চলি আছে, সেয়ে আমি মনত ৰাখিব লাগিব যে এই ইবাদত আদায় কৰাৰ চেষ্টা তেতিয়া সম্পন্ন হ'ব যেতিয়া আমি আল্লাহৰ নিৰ্দেশ অনুযায়ী নিজৰ সৃষ্টিৰ উদ্দেশ্য পূৰ্ণ কৰোঁতা হম। আল্লাহ তায়লা কৈছে, وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ অৰ্থাৎ আৰু মই জিন আৰু ইনছানক কেৱল নিজৰ উপাসনা কৰাৰ বাবে সৃজন কৰিছো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, যেতিয়া আমি আল্লাহৰ নিৰ্দেশ সমুহলৈ লক্ষ্য কৰো, দেখিবলৈ পাওঁ যে এটা আদেশৰ পিছত আন এটা আদেশে আমাক যি ফালে লৈ যায় সেয়া হ'ল এয়া যে খোদা তায়লাক কেতিয়াও পাহৰি নাযাবা। তোমাৰ জাগতিক চেষ্টা প্ৰচেষ্টায় তোমাক আল্লাহ তায়লাৰ জিকিৰ (উপাসনা) ৰ পৰা যেন আতৰাই নেপেলায়। জাগতিক ইচ্ছা পূৰ্ণ কৰাটো তোমাৰ যেন আচল উদ্দেশ্য নহয়।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; আল্লাহ তায়লা কৈছে মই জিন, ইনছানক এই কাৰণে সৃষ্টি কৰিছো যে, যাতে সিহঁতে মোক চিনি পায় আৰু মোৰ উপাসনা কৰে। গতিকে এই আয়াতে বুজায় যে মানৱৰ জীৱণ তত্ত্বৰ আচল বস্তু হ'ল খোদা তায়লাৰ উপাসনা কৰা আৰু খোদা তায়লাক চিনি লৈ তাৰ হৈ যোৱা। উল্লেখ কৰে যে এয়া স্পষ্ট কথা যে মানুহে সেই মৰ্যদা লাভ কৰিব পৰা নাই যে নিজৰ জীৱণৰ গতিপথ নিজে নিদ্ধাৰণ কৰি লব কাৰণ মানৱে নিজৰ ইচ্ছা অনুযায়ী আহিব নোৱাৰে আৰু

ইচ্ছামতে ঘুৰিও যাব নোৱাৰে। বৰং এয়া হ'ল এটা জীৱ মাত্ৰ, আৰু যিয়ে সৃষ্টি কৰিছে আৰু সকলো প্ৰাণীৰ তুলনাত উত্তম প্ৰজ্ঞা দান কৰিছে অৰ্থাৎ শ্ৰেষ্ঠ জীৱ হোৱাৰ সৌভাগ্য দান কৰিছে, তেৱেঁই মানৱৰ জীৱণ তত্ত্বৰ গতি পথ নিৰ্দ্ধাৰণ কৰি ৰাখিছে। যিয়েই নহওঁক কোনো মানৱে এই তত্ত্ব বুজি পাওঁক বা নাপাওঁক কিন্তু মানৱৰ জন্মৰ উদ্দেশ্য নিসন্দেহে খোদা তায়লাৰ উপাসনা কৰা আৰু খোদা তায়লাক চিনি লোৱা আৰু আল্লাহ তায়লাত বিলীন হৈ যোৱা। গতিকে যেতিয়া মানুহে এই উদ্দেশ্য আগত ৰাখে তেতিয়া তেওঁ প্ৰকৃত মোমিনত পৰিগনিত হয় আৰু সকলো পাৰ্থিৱ সা-সমৃদ্ধি খোদা তায়লাৰ সন্তুষ্টিৰ মাধ্যম বনাই লয়। গতিকে মানুহৰ মগজুৰ শক্তিয়ে, শাৰিৰীক শক্তিয়ে ধন মালে আৰু বৰ্তমান যুগৰ নতুন নতুন আৱিস্কাৰে যেন আমাক অলস বনাই নিজৰ জন্মৰ আচল উদ্দেশ্য পাহৰাই নেপেলায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আহমদী সকলে এয়া ঘোষণা কৰে যে আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণী অনুযায়ী এক দীঘলীয়া অন্ধকাৰ যুগৰ পিছত আকৌ মছিহ মাওউদ (আঃ) ৰ যুগত ইছলামৰ ভাস্কৰ পুণৰ পোহৰাব। যি জনে মুছলমান সকলৰ হৃদয়ৰ এন্ধাৰ দুৰীভূত কৰি ইছলামৰ প্ৰকৃত শিক্ষাৰ ফালে ঘুৰাই আনিব আৰু অ-মুছলিম সকলকো ইছলামৰ প্ৰকৃত মনোৰম শিক্ষা সম্পৰ্কে জনাব।

পশ্চিমীয়া দেশবোৰলৈ আহি প্ৰত্যেক আহমদীৰ বাবে এয়া ফৰজ হৈ পৰিছে যে তেওঁলোকে এই গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ চেষ্টা কৰে। যতেই আহমদী আছে, তেওঁলোকে নিজৰ-নিজৰ ঠাইত বেলেগক বুজাব লাগিব যে প্ৰকৃত ইছলাম কি। প্ৰত্যেক আহমদীৰ কৰ্ম আৰু তাৰ চৰিত্ৰ, তাৰ ইবাদতৰ মান এনেকুৱা হ'ব লাগিব যে যিয়ে বেলেগৰ মনযোগ আকৰ্ষণ কৰিব পাৰে। এয়াই যেনেকৈ আহমদী সকলক বেলেগতকৈ বেছি মৰ্যদা সম্পন্ন বনাব তেনেকৈ তবলিগৰও বাট মুকলি হ'ব। গতিকে এই বিষয়টো প্ৰত্যেক আহমদীয়ে বুজাৰ প্ৰয়োজন আছে যে প্ৰত্যেক আহমদীৰেই এটা মহৎ উদ্দেশ্য আছে প্ৰথমে নিজৰ জন্মৰ উদ্দেশ্য বুজি পাব লাগিব আকৌ আনক এই উদ্দেশ্য বুজিবলৈ মনযোগ আকৰ্ষণ কৰিব লাগিব। জগতক এই সত্যৰ সৈতে পৰিচয় কৰাব লাগিব যে পৃথিৱীত আল্লাহ তায়লাৰ প্ৰদত্ত অনুগ্ৰহ ৰাজি আছে সেয়াই কাকো খোদা তায়লাৰ পৰা আঁতৰাই লৈ যাবলৈ নহয় বৰং খোদা তায়লাৰ সান্নিধ্যলৈ লৈ যাবৰ বাবে এয়া ব্যাৱহাৰিত। গতিকে ইয়াৰ মাজত সমন্ধয় ৰাখিব লাগিব নহলে তোমালোকে ধংসৰ ফালে আগবাঢ়ি যাব লাগিব। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আজিৰ পৰা চাৰি-পাচঁ বছৰ আগতে পৃথিৱীখন এনেদৰে ধংসৰ ফালে আগবাঢ়ি যোৱাৰ ধাৰণা নাছিল। কিন্তু আজিৰ অৱস্থা সম্পূৰ্ণ বিপৰীত আৰু যিদৰে পৃথিৱীখন ধংসৰ কবললৈ আগবাঢ়ি গৈ আছে, ইয়াৰ মূল কাৰণ হ'ল, সকলোৱে ভাৱে যে পশ্চিমীয়া দেশৰ উন্নতিয়ে তেওঁলোকক বচাঁব আৰু যদি ক্ষতি হয় তেন্তে আমি সেয়া পূৰ্ণ কৰি লম। কিন্তু এয়া হ'ল তেওঁলোকৰ ভূল। যেতিয়া যুদ্ধৰ ধংসলীলা আৰম্ভ হ'ব তেতিয়া যুদ্ধৰ পিছত অৰ্থ নৈতিক দিশত সুগঠিত থকা চৰকাৰে নিজকে নিজে চম্ভালি লোৱাৰ চেষ্টা কৰিব আৰু অৰ্থনৈতিক দিশত দুৰ্বল হৈ পৰা দেশবোৰে আৰু বেয়া অৱস্থালৈ গৈ থাকিব। গতিকে যতেই আহমদী আছে, তেওঁলোকে কাৰ্যক্ষমতা আৰু দোৱাৰে সৈতে আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কৰালৈ মনযোগ দিয়ক। আল্লাহ তায়লাৰ কৃপা লাভ কৰিবলৈ হলে এই কথাবোৰৰ ওপৰত আমল কৰাৰ প্ৰয়োজন আছে। আল্লাহত নতশীৰ হলেহে তাক সন্তুষ্ট কৰিব পৰা যায়। প্ৰত্যেক আহমদীয়ে মনত ৰাখিব লাগিব যে কেৱল হজৰত মছিহ মাওউদ (আঃ) ক মানি ললেই ইহঁকাল আৰু পৰকালৰ সৌন্দৰ্যৰ মালিক হ'ব পৰা নাযাব বা অনলৰ শাস্তিৰ পৰা ৰেহাই পোৱা নাযাব। বৰং হজৰত মছিহ মাওউদ (আঃ) ক মানি লোৱাটোৱে আৰু বেছি দায়িত্ব অৰ্পন কৰে যে নিজৰ জীৱণটো আল্লাহ তায়লাৰ সন্তুষ্টি অনুযায়ী পৰিচালিত কৰিব লাগিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; মনত ৰাখিবা কেৱল বয়াত কৰিলে একো নহয়। আল্লাহ তায়লা এই পাৰ্বনত সন্তুষ্ট নহয় যেতিয়ালৈকে বয়াতৰ প্ৰকৃত অৰ্থ কাৰ্যত পৰিণত কৰা নহয় তেতিয়া লৈকে এই বয়াত, বয়াত নহয় মাত্ৰ এটা অনুষ্ঠিত পৰম্পৰাহে। গতিকে বয়াতৰ প্ৰকৃত উদ্দেশ্য পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব লাগিব, আৰু প্ৰকৃত অৰ্থ কি ? উল্লেখ কৰে যে, তাকওয়া ধাৰণ কৰা কোৰ'আন কৰিম বৰ গুৰুত্ব দি পঢ়া আৰু সেয়া আমল কৰা কাৰণ এয়াই হ'ল আল্লাহ তায়লাৰ চুন্নত। আল্লাহ তায়লা কেৱল কথাৰ ওপৰত সন্তুষ্ট নহয় বৰং আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে তাৰ আদেশৰ আনুগত্য কৰাৰ প্ৰয়োজন আছে। যিবোৰলৈ আল্লাহ তায়লা নিষেধ কৰিছে সেইবোৰৰ পৰা আঁতৰি থাকিব লাগিব। আমি স্পষ্ট দেখিবলৈ পাওঁ যে মানুহেও কেৱল কথাতে সন্তুষ্ট নহয় বৰং এওঁলোকেও খিদমতৰ পৰাহে সন্তুষ্ট হয়। সত্য মুছলমান আৰু ভ্ৰষ্ট মুছলমানৰ মাজত এয়াই হ'ল পাৰ্থক্য যে মিথ্যাচাৰ মুছলমানে কেৱল কথাহে কয়, কাম একো নকৰে আনহাতে প্ৰকৃত মুছলমানে সেয়া আমল কৰি দেখুৱায়। যেতিয়া আল্লাহ তায়লা দেখিবলৈ পায় যে মোৰ বান্দা মোৰ উপাসনা কৰি আছে আৰু মোৰ বাবে মোৰ জীৱৰ প্ৰতি দয়া প্ৰৱণ হৈ আছে তেতিয়া তাৰ ফিৰিস্তা

সেইজনৰ ওপৰত অৱতীৰ্ণ কৰে আৰু সত্য মুছলমান আৰু মিথ্যা মুছলমানৰ মাজত পাৰ্থক্য কৰি দিয়ে।

গতিকে আমাৰ প্ৰত্যেকৰে দায়িত্ব (ফৰজ) হ'ল যে আমি সত্য মুছলমান হোৱাৰ চেষ্টা কৰো। পাৰ্থিৱ অনুগ্ৰহৰাজি আৰু সৌন্দৰ্যাৱলীৰ পৰা এই কাৰণেই লাভ উঠাব লাগিব যাতে এয়াই পৰকালৰ লাভৰ অংশীদাৰ বনায়। আমি যেন ইবাদতৰ হ'ক আদায় কৰোঁতা হওঁ। যাৰ বাবে দেশ এৰিছো, ইয়াত আহি যেন দ্বীনি শিক্ষাৰ ওপৰত আমল কৰাৰ হক আদায় কৰোঁতা হওঁ। আল্লাহ তায়লা তাৰ বাবে তৌফিক দান কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 6 April 2018**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------------------
---------------------------------------------------------------------------------------
---------------------------------------------------------------------------------------
---------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**